# স্বামী বিবেকানন্দ আৰু ৰবীন্দ্ৰনাথ ঠাকুৰ

অতি চমু প্ৰশ্নোত্তৰ

১। স্বামী বিবেকানন্দৰ গুৰু কোন আছিল**?**

উত্তৰ**:** শ্ৰীৰামকৃষ্ণ পৰমহংস।

২। স্বামী বিবেকানন্দই চিকাগোত তেখেতৰ ঐতিহাসিক ভাষণটো কেতিয়া আৰু ক'ত প্ৰদান কৰিছিল?

উত্তৰঃ ১৮৯৩ চনৰ ১১ ছেপ্তেম্বৰত আমেৰিকাৰ চিকাগো চহৰত।

৩। 'Credle Tales of Hinduism'ৰ লেখক কোন?

উত্তৰ: ভগ্নী নিবেদিতাই।

৪। স্বামী বিবেকানন্দৰ জন্ম কেতিয়া হৈছিল?

উত্তৰঃ স্বামী বিবেকানন্দৰ ১৮৬৩ চনত জন্ম হৈছিল।

৫। তেওঁ স্কুলীয়া শিক্ষা ক'ত গ্ৰহণ কৰিছিল?

উত্তৰঃ কলিকতাত।

৬। তেওঁ ৰামকৃষ্ণ পৰমহংসক কেতিয়া লগ পাইছিল?

উত্তৰঃ ১৮৮১ চনত বিবেকানন্দই ৰামকৃষ্ণক লগ পাইছিল।

৭। ধৰ্ম মহাসভা কোন চনত অনুষ্ঠিত হৈছিল?

উত্তৰঃ ১৮৯৩ চনত।

৮। বিবেকানন্দৰ দৰ্শন পৌৰাণিক হিন্দু দৰ্শনৰ দ্বাৰা প্ৰভাৱিত হৈছিল নে?

উত্তৰঃ হয়।

৯। তেওঁ বৌদ্ধ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল নে?

উত্তৰঃ হয়।

১০। স্বামী বিবেকানন্দৰ দৰ্শনৰ মূল আধাৰ কি?

উত্তৰঃ স্বামী বিবেকানন্দৰ দৰ্শনৰ মূল আধাৰ হ'ল- 'শংকৰাচাৰ্যৰ অদ্বৈত বেদান্ত দৰ্শন'।

১১। বিবেকানন্দৰ ৰাজনৈতিক দৰ্শনৰ প্ৰধান ধাৰণাটো কি?

উত্তৰঃ বিবেকানন্দৰ দৰ্শনৰ মূল ধাৰণা হ'ল অদ্বৈতবাদ।

১২। ৰবীন্দ্ৰনাথ ঠাকুৰে কেতিয়া জন্মগ্ৰহণ কৰিছিল?

উত্তৰ : ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্ম ১৮৬১ চনত হৈছিল।